অধ্যায় ঃ ১০ চুফী আন্দোলন

অধ্যায় গাঁথনি

১০.১ উদ্দেশ্য
১০.২ পৰিচয়
১০.৩ চুফীবাদৰ উৎপত্তি
১০.৪ চুফীবাদৰ বিভিন্ন পন্থা
১০.৫ চুফীবাদৰ প্রভাৱ
১০.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১০.৭ অধিক জানিবলৈ
১০.৮ অগ্রগতিৰ খতিয়ান
১০.৯ আৰ্হি প্রশ্ন

১০.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি-

- চুফীবাদৰ উৎস আৰু ভাৰতীয় উপমহাদেশত সক্রিয় চুফীবাদৰ বিভিন্ন পন্থাৰ বিষয়ে ব্যাখ্যা কৰিব পাৰিব, আৰু
- ভাৰতীয় সমাজ আৰু সংস্কৃতিৰ ওপৰত চুফীবাদৰ প্রভাৱ সম্পর্কে বিশ্লেষণ কৰিব পাৰিব।

১০.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়টিত আমি চুলতানৎ সাম্রাজ্যৰ সময়চোৱাত হোৱা কলা আৰু সাহিত্যৰ বৃদ্ধি আৰু বিকাশৰ বিষয়ে আলোচনা কৰিছিলো। এই অধ্যায়টিত আমি ভাৰতবর্ষত চুফীবাদৰ বিষয়ে আলোচনা কৰিম।

ৰহস্যবাদ প্রায় সকলো ধর্মৰে এক অংশ হৈ আহিছে। যেতিয়াই এক প্রতিষ্ঠিত ধর্ম, ৰীতি-নীতি, ধর্মাজ্ঞা, উপচাৰিকতা ইত্যাদিৰে ভাৰাক্রান্ত হৈ উঠে, তেতিয়া সেই ধর্মত ৰহস্যবাদী আৰু ৰহস্যবাদী ভাৱধাৰা গা কৰি উঠে। চুফীবাদক ইছলাম ধর্মৰ ৰহস্যবাদী ধাৰা বুলি গণ্য কৰিব পাৰি। ই মূলতে এক প্রেমৰ ধর্ম য'ত গোড়া ধর্মমত বা নির্দেশৰ চাপ নাথাকে আৰু ইয়াত ব্যক্তিগতভাৱে ঈশ্বৰৰ উপস্থিতিৰ জীৱন্ত অনুভৱ লাভৰ বাবে প্রয়াস কৰা হয়। প্রখ্যাত ইতিহাসবিদ তাৰা চন্দে চুফীবাদক এক "জটিল প্রক্রিয়া" বুলি অভিহিত কৰি ইয়াক বিভিন্ন স্থানৰ পৰা নির্গত উপনৈসমূহৰ পৰা জলধাৰা আগৰণ কৰি স্ফীত হৈ পৰা নদীৰ লগত তুলনা কৰিছিল। তাৰাচন্দৰ মতে চুফীবাদ হৈছে এক দুর্বাৰ ভক্তিৰ ধর্ম; য'ত প্রেম হৈছে ইয়াৰ বহিঃপ্রকাশ, কবিতা, সংগীত আৰু নৃত্য হৈছে ইয়াৰ উপাসনাৰ মাধ্যম আৰু ঈশ্বৰৰ সৈতে একাত্মবোধ লভাটো ইয়াৰ আদর্শ।

চুফী চিন্তাধাৰাক দিক্-নিদর্শন কৰা প্রধান মতবাদ হৈছে 'ৱাহদাত-উল্-ৱজুদ' যাৰ অর্থ হৈছে 'অস্তিত্বৰ ঐক্যতা'। অন্য অর্থত, ই বিশ্বাস কৰে যে ঈশ্বৰ হৈছে সকলোধৰণৰ বহুত্বৰ আঁৰৰ ঐক্য আৰু সকলো প্রপঞ্চৰ আঁৰৰ প্রকৃততা। তদুপৰি ই গুৰুত্ব আৰোপ কৰে যে ঈশ্বৰৰ বাহিৰে কাৰোৰে প্রকৃত অস্তিত্ব নাই আৰু জাগতিক বস্তু আৰু বিষয়ৰ পৰা সম্পূর্ণ বিচ্ছিন্নতাৰ দ্বাৰা ঈশ্বৰৰ সৈতে একাত্মতা স্থাপন কৰা সম্ভৱ।

১০.৩ চুফীবাদৰ উৎপত্তি

চফীবাদৰ উৎপত্তি সম্পর্কে যথেষ্ট বিতর্ক প্রচলিত। ইয়াৰ প্রধান কাৰণ আছিল ইছলাম ধর্মৰ আৱির্ভাৱৰ আগৰে পৰাই ৰহস্যবাদী চিন্তা আৰু ধাৰণাসমূহ বর্তি থকাটো। প্রাচ্যতত্ত্ববিদসকলৰ মতে, চুফীবাদে ইয়াৰ প্রধান ধাৰণাসমূহ খ্রীষ্টিয়ান মিশ্যনাৰী আৰু নৱ-প্লেটনিক চিন্তাবিদসকলৰ সংস্পর্শত আহি আহৰণ কৰিছিল। অন্য ভাষাত ক'বলৈ গলে, প্রাচ্যতত্ত্ববিদসকলে চুফীবাদৰ পশ্চিমীয়া উৎপত্তিৰ ধাৰণাৰ পোষকতা আৰু সমর্থন কৰিছিল। ইয়াৰ বিপৰীতে, বহুতো পণ্ডিতে চুফীবাদৰ পাৰস্যীয় উৎপত্তিৰ ধাৰণাৰ সপক্ষে যুক্তি আগবঢ়াইছিল। এই ধাৰণা অনুসৰি কোৱা হৈছিল যে, আৰৱসকলৰ দ্বাৰা পাৰস্য বিজয়ৰ ফলত ইছলামৰ অর্ন্তভাগত পাৰস্যৰ ৰহস্যবাদী বিশ্বাস প্ররাহিত হৈছিল আৰু তাৰ ফলতেই চুফীবাদৰ উদ্ভাৱন হৈছিল। অন্য কিছুসংখ্যক পণ্ডিতে আকৌ চুফীবাদৰ ভাৰতীয় মূলৰ বিষয়ে উল্লেখ কৰে। এওঁলোকৰ মতে, ইছলামিক ধর্মপ্রচাৰকসকল বৌদ্ধ ধর্মৰ সংস্পর্শলে অহাৰ ফলত চুফীবাদৰ উৎপত্তি ঘটিছিল। আৰ. এ. নিকলচনৰ মতে, ইছলাম ধর্মৰ ধ্যান আৰু বৌদ্ধিকতা বহুপৰিমাণে বৌদ্ধ ধর্মৰ পৰা আহৰিত।

কিন্তু, শেহতীয়া অধ্যয়নে বাহিৰা প্রভাৱৰ কথা গ্রহণ কৰিও, চুফীবাদ ইছলাম ধর্মৰ ধর্মগ্রন্থ কো�ৰাণৰ পৰা উৎপত্তি হোৱা বুলি যুক্তি আগবঢ়ায়। এই তত্ত্ব অনুসৰি কো�ৰাণে ৰহস্যবাদী চিন্তা-চর্চাৰ দিশত পর্য্যাপ্ত অৱকাশ আগবঢ়ায়। এন মাৰি শ্বীমেল আৰু কার্ল ডব্লিউ আর্নেষ্টিৰ আদি পণ্ডিতসকলৰ মতে, চুফীবাদৰ প্রাৰম্ভিক পর্য্যায়ৰ অনুগামী বা ব্যক্তি বুলিলে প্রফেট মহম্মদ আৰু তেওঁৰ সংগীবৃন্দকে সূচায়' যিহেতু তেওঁলোকে প্রত্যক্ষভাৱে ঈশ্বৰৰ সৈতে এক হ'ব বিচাৰিছিল। আলী হুজৱিৰি দৰে অন্য কিছুৱে হজৰত আলীকো এক চুফী সন্ত বুলি উল্লেখ কৰিছে। সদৃশভাৱে, বচৰা চহৰৰ ৰাবিয়ায়ো ইছলামৰ ভিতৰত ৰহস্যবাদী চিন্তাৰ বিকাশত এক গুৰুত্বপূর্ণ ভূমিকা গ্রহণ কৰিছিল। ৰাবিয়াই প্রার্থনা উপাসনাক ঈশ্বৰৰ সৈতে এক মুক্ত আৰু অন্তৰংগ মিলনৰ ৰূপ অংকিত কৰিছিল। য'ত কোনো মধ্যস্থতাকাৰীৰ ভূমিকা নাছিল। ৰাবিয়াৰ মতেপ্রার্থনা ঈশ্বৰৰ প্রতি হৃদয়ৰ স্বতঃস্ফুর্ত্ত প্রকাশ হোৱা উচিত আৰু ই কোনোধৰণৰ বান্ধোন বা উপদেশৰদ্বাৰা পৰিচালিত হোৱা অনুচিত।

কিন্তু, চুফীবাদক এক প্রকৃতার্থত দার্শনিক (metophysical) ভিত্তি প্রদান কৰিছিল আৰৱ দার্শনিক আৰু ধর্মতাত্ত্বিক আবু হামিদ-আল- গাজালীয়ে (১০৫৮-১১১১)। তেওঁ আভ্যন্তৰীপ ৰূপান্তৰ আৰু আনন্দৰ পোষকতা কৰিছিল। যাৰ অবিহনে কোনো ধৰণৰ নির্বাণ বা মোক্ষ লাভ

কৰাটো অসম্ভৱ। গাজালীয়ে বিভিন্ন প্ৰকাৰে চুফীবাদৰ ৰহস্যবাদী চিন্তা আৰু ইছলাম ধৰ্মৰ মৌলিকতাৰ মাজত সমন্বয় সাধিছিল।

মধ্যযুগলৈ, চুফীবাদত প্ৰতিষ্ঠানিক চৰিত্ৰ বিকাশ হ'বলৈ আৰম্ভ কৰে। বহুসংখ্যক চুফী সন্তই নিজস্ব "খানকাহ" প্ৰতিষ্ঠা কৰে। 'খানকাহ' বুলিলে এক বিশেষ স্থান বা গৃহক সূচিত কৰে, য'ত কোনো চুফী সন্ত (পীৰ বা মুৰশ্বীদ) ৰ ঐশ্বৰিক উপস্থিতিত তেওঁৰ শিষ্যসকল (মুৰাদ) আধ্যাত্মিকতাৰ হকে মিলিত হয়। কোনো এজন বিশেষ পীৰৰ অধীনস্থ এনে ধৰণৰ "খানকাহ" সমূহৰ প্ৰসাৰতাৰ ফলতেই পিছলৈ বিভিন্ন চুফী ধাৰা (sufi order) বা চিলচিলাৰ বিকাশ হ 'বলৈ আৰম্ভ কৰে। প্ৰত্যেকটো চুফীবাদৰ ধাৰাৰে তেওঁলোকৰ নিজস্ব উপাস্য সন্ত আৰু শিষ্য থাকে। এই ধাৰাসমূহৰ মাজত ৰহস্যবাদৰ উমৈহতীয়া যোগসূত্ৰক বাদ দি, জাগতিক বিষয়ৰ ক্ষেত্ৰত নিজস্ব অৱস্থানক লৈ প্ৰায়ে অৰীয়াঁঅৰীৰ সূত্ৰপাত ঘটিছিল।



অগ্ৰগতিৰ নিৰীক্ষণ

তলৰ প্ৰশ্নসমূহৰ উত্তৰ লিখক

প্ৰশ্ন নং ১ ঃ চুফী দৰ্শন অনুসৰি 'ৱাহদাত-উল্-ৱজুদ' বুলিলে আক্ষৰিক অৰ্থত কি বুজায়?

.....

প্ৰশ্ন নং ২ ঃ চুফী দৰ্শনৰ অনুগামীসকলে আধ্যাত্মিকতাৰ বাবে মিলিত হোৱাক কি বুলি জনা যায়?

.....

১০.৪ চুফীবাদৰ বিভিন্ন পন্থা

গজনবীৰ পঞ্জাৱ বিজয়ৰ পিছত, ভাৰতীয় উপমহাদেশলৈ যথেষ্ট সংখ্যক চুফী সন্তৰ আগমণ ঘটিছিল। এই সমূহৰ ভিতৰত লাহোৰৰ শ্বেইখ ইছমাইল প্ৰথম আছিল যদিও, ভাৰতবৰ্ষত চুফীবাদক জনপ্ৰিয় কৰিছিল শ্বেইখ-আলী-বিন- উছমান- আল্- হুজৱিৰিয়ে যাক জনপ্ৰিয় ভাৱে দাতা গঞ্জ বক্স বুলিও জনা যায়। তেওঁ আৰু তেওঁৰ সমসাময়িক আহমেদ চুলতান চাখী চাৰৱাৰে (যাক লাখদাতা বুলিও জনা যায়) ধৰ্মীয় গতি অতিক্ৰমী পঞ্জাৱত বহুসংখ্যক নাগৰিকৰ বিশ্বাস জয় কৰিবলৈ সক্ষম হৈছিল।

পৰৱৰ্তী সময়ত, খ্ৰীষ্টাব্দ ১২০০ আৰু ১৫০০ ৰ ভিতৰত যথেষ্ট সংখ্যক চুফী চিলচিলাই ভাৰতবৰ্ষৰ বিভিন্ন স্থানত তেওঁলোকৰ খানকাহ প্ৰতিষ্ঠা কৰিছিল। আবুল ফচলে আকবৰৰ সময়ত ভাৰতীয় উপমহাদেশত সক্ৰিয় হৈ থকা চৈধ্যটালৈকে চুফী চিলচিলাৰ কথা উল্লেখ কৰিছিল। এইসকলৰ ভিতৰত জনপ্ৰিয়সমূহ আছিল চিস্তি, চুহাৰৱাদী , নকছ্বান্দী, কাদিৰী, ফিৰদৌউছি আৰু ছাত্তাৰী চিলচিলা বা ধাৰা।

● **চিস্তি চিলচিলা বা ধাৰাঃ**

খাজা্ আব্দুল চিস্তিৰ দ্বাৰা হেৰাটত প্রতিষ্ঠিত, চিস্তি ধাৰাক ভাৰতলৈ আগমণ ঘটাইছিল বিখ্যাত চুফি সন্ত মইনুদ্দিন চিস্তিয়ে (১১৪২-১২৩৬), যি তেওঁৰ খানকাহ ৰাজস্থানৰ আজমীৰত প্রতিষ্ঠা কৰিছিল। মানৱসেৱাকে উপাসনাৰ সর্বোচ্চ ৰূপ বুলি গণ্য কৰা মইন-উদ্দিন চিস্তি ধর্মীয় পৰিসীমা অতিক্রমি সমাজৰ নিম্ন জাতি আৰু শ্রেণীৰ মাজত যথেষ্ট জনপ্রিয় হৈ উঠিছিল। তেওঁ সমগ্র জীৱন অৱহেলিত শ্রেণীৰ সেৱাত উৎসর্গা কৰিছিল। খাজা মইন-উদ্দিন চিস্তিৰ উত্তৰসুৰী আছিল তেওঁৰ দুগৰাকী শিষ্য হামিদ-উদ-দিন নাগাউৰি আৰু কুতুব-উদ-দিন-বখতিয়াৰ কাকী। ইলতুৎমিছৰ ৰাজত্বকালত কাকী দিল্লীলৈ আহি দাঁতিকাষৰীয়া অঞ্চলত থিতাপি লৈছিল। ইলতুৎমিচে আগবঢ়োৱা 'শ্বেইখ-উল- ইছলাম'ৰ পদ তেওঁগ্রহন কৰিবলৈ অস্বীকাৰ কৰিছিল আৰু এক সাত্ত্বিক জীৱন যাপন কৰিছিল। দিল্লীৰ প্রখ্যাত কুটুব-মিনাৰ'ৰ নামাকৰণ তেওঁৰ নামেৰেই কৰা হৈছিল।

কাকীৰ পিছত তেওঁৰ উত্তৰসুৰীৰূপে শিষ্য শ্বেইখ-উদ দিন মাছুদ গঞ্জ-ই শ্বাকাৰ (১১৭৫-১২৬৫)। প্রতিষ্ঠিত হয় আৰু তেওঁ পঞ্জাৱৰ অযোধানত নিজৰ ঠিকনা নির্বাচন কৰে। তেওঁ বিভিন্ন স্থানত বহুসংখ্যক খানকাহ প্রতিষ্ঠা কৰে আৰু চিস্তি ধাৰাক এক সর্বভাৰতীয় সংগঠনলৈ উন্নিত কৰে। তেওঁ বাবা ফৰিদ নামেৰে জনপ্রিয় আছিল। অভূতপূর্ব জনপ্রিয়তা আৰু প্রভাৱ স্বত্ত্বেও, তেওঁ ৰাজনীতিৰ পৰা নিজকে আঁতৰাই ৰাখিছিল। দিল্লীৰ চুলতান বলবনেও বাবা ফৰিদৰ প্রতি যথেষ্ট সন্মান প্রদর্শন কৰিছিল।

বাবা ফৰিদৰ উত্তৰাধিকাৰী আছিল চিস্তি ধাৰাৰে অন্য এজন বিখ্যাত চুফী সন্ত নিজাম-উদ্দিন-আউলিয়া (১২৩৮-১৩২৫) যি তেওঁৰ দিল্লীত আশ্রয়স্থল প্রতিষ্ঠা কৰিছিল। মেহবুব-ঈ-ইলাহী অর্থাৎ ভগৱানৰ প্রিয়পাত্র নামেৰে জনপ্রিয়, আউলিয়াই দিল্লীত সাতগৰাকী চুলতানৰ ৰাজত্ব প্রত্যক্ষ কৰিছিল। দিল্লী আৰু ইয়াৰ বাহিৰৰো অধিবাসীসকলৰ মাজত তেওঁ প্রচুৰ জনপ্রিয় আছিল। এনে জনপ্রিয়তাৰহেতু দিল্লীৰ চুলতান বিশেষকৈ মহম্মদ-বিন-টোগলগ চিস্তি ধাৰাৰৰ চুফী কার্যকলাপৰ প্রতি সন্দিহান হৈ উঠিছিল। ৰাজসভাত প্রভাৱ বিস্তাৰ কৰি থকা গোড়া ধর্মীয় উলেমাসকলৰ সৈতে অহেতুক সংঘাত পৰিহাৰ কৰি চলাৰ বাবে চিস্তিসকলে অনুসৰণ কৰা পৃথক হৈ চলাৰ নীতি এই ক্ষেত্রত হিতে বিপৰীতে হৈছিল। মহম্মদ বিন টোগলগে চিস্তি সন্তসকলক অপমানিত কৰাৰ যি প্রক্রিয়া আৰম্ভ কৰিছিল। সি তেওঁৰ উত্তৰাধিকাৰী ফিৰোজশ্বাহ টোগলগৰ দিনত তুংগত উঠিছিল। এইদৰেই ধাৰাবাহিক ভাৱে এলানী শত্রু ভাৱাপন্ন ৰাজনৈতিক শাসকবৃন্দৰ সন্মুখীন হৈ চিস্তিসকলৰ সংগঠনক দুর্বল কৰি তুলিছিল।

উত্তৰ ভাৰতত চিস্তি ধাৰাৰ সর্বশেষ বিখ্যাত সন্তজন আছিল নাছিৰ উদ্দিন মাহমুদ (১২৭৪-১৩৫৩) যাক "দিল্লীৰ চাকি" ৰ পাছত। চিতি সন্তসকল দক্ষিণাত্যলৈ গমন কৰে আৰু তাত নিজৰ কার্যকলাপৰ নতুন স্থান ৰূপে নির্বাচন কৰে। এই ক্ষেত্রত উল্লেখযোগ্য আছিল নাছিৰ উদ্দিন মাহমুদৰ শিষ্য খাজা গেইচু দাৰাজ। তেওঁ বাহমনী ৰাজ্যৰ ৰাজধানী গুলবার্গক চিস্তি

ধাৰাৰ নতুন কেন্দ্ৰৰূপে নিৰ্বাচিত কৰিছিল। একেদৰেই কিছুসংখ্যক চুফী সন্ত পূব দিশত গমন কৰি বংগত থিতাপি লৈছিল। বংগ অঞ্চলত চিস্তি ধাৰাক জনপ্ৰিয় কৰা দুগৰাকী প্ৰধান চিস্তি মন্ত আছিল চিৰাজ-উদ্দিন আখি চিৰাজ আৰু নুৰ কুতব-ঈ-আলম।

ভাৰতবৰ্ষত মোগল শাসন প্ৰতিস্থান সৈতে, চিস্তিসকল আকৌ এবাৰ উত্তৰ ভাৰত অভিমুখী হয়। আকবৰে বিশেষ ভাৱে চিস্তিসকলৰ পৃষ্ঠপোষকতা কৰিছিল। খাজা মইন উদ্দিন চিস্তিৰ প্ৰতি তেওঁৰ যথেষ্ট সন্মান আছিল। ঘটনাক্ৰমে ফতেহপুৰ চিক্ৰিৰ শ্বেইখ চেলিম চিস্তি আকবৰৰ সমসাময়িক আছিল। কথিত আছে যে শ্বেইখ চেলিম চিস্তিৰ আশীৰ্বাদত আকবৰৰ পুত্ৰ জাহাংগীৰৰ জন্ম হৈছিল। শ্বেইখ চেলিমৰ মৃত্যুৰ পিছত আকবৰে তেওঁৰ কবৰৰ ওপৰত এক বিশাল সমাধিগৃহ সাজি উলিয়াইছিল। ই ফতেহপুৰ চিক্ৰীৰ মুখ্য নগৰৰ ভিতৰত অৱস্থিত আছিল। কিন্তু, মোগল শাসনৰ সময়চোৱাত চিস্তিসকলে মইন উদ্দিন চিস্তি, বাবা ফৰিদ আৰু নিজাম-উদ্দিন আউলিয়াৰ দৰে সন্ত সৃষ্টি কৰিব পৰা নাছিল আৰু সাধাৰণ জনসাধাৰণৰ মাজত থকা প্ৰভাৱ হেৰুৱাইছিল।

● চুৰাৱাৰ্দী ধাৰা পন্থা ঃ চিস্তি চিলচিলা বা ধাৰাৰ দৰেই, চুৰাৱাৰ্দী ধাৰাৰো প্ৰতিষ্ঠা ভাৰতবৰ্ষৰ বাহিৰত বাগদাদত আবু নাজিব চুৰাৱাদী (১০৯৭-১১৬৮) ৰ দ্বাৰা হৈছিল আৰু তেওঁৰ ভতিজা শ্বিহাব-উদ্দিন- চুৰাৱাদী (১১৪৫-১২৩৪) ৰ দ্বাৰা বিকশিত হৈছিল। শ্বিহাব-উদ্দিনে তেওঁৰ এজন শিষ্য শ্বেইখ বাহা-উদ্দিন জাকৰিয়াক (১১৮২-১২৬৩) ভাৰতীয় উপমহাদেশলৈ চুৰাৱাৰ্দী ধাৰাৰ প্ৰচাৰ আৰু শিক্ষাৰ উদ্দেশ্য হকে পঠাইছিল। জাকাৰিয়াই তেওঁৰ খানকাহ মুলতানত প্ৰতিষ্ঠা কৰিছিল। চিস্তিসকলে বিশ্বাস কৰাৰ দৰে কিন্তু তেওঁ এক দাৰিদ্ৰ্যতাপূৰ্ণ জীৱনত বিশ্বাস কৰা নাছিল আৰু ইয়াৰ বিপৰীতে এক সন্তুলিত জীৱন যাপন কৰিছিল। তেওঁ ৰজা আৰু অভিজাত শ্ৰেণী বিষয়ববীয়াসকলৰ পৰা উপহাৰ গ্ৰহণ কৰিছিল আৰু লগতে ৰাজনৈতিক সম্ভ্ৰান্ত শ্ৰেণীটোৰ সংগ লাভ কৰিছিল।

জাকৰিয়াৰ মৃত্যুৰ পিছত, চুৰাৱাৰ্দী চিলচিলা দুটা শাখাত বিভক্ত হৈ পৰিছিল। তেওঁৰ পুত্ৰ বদৰউদ্দিন আৰিফে মূলতান শাখাৰ দায়িত্ব বহন কৰিছিল, আনহাতে তেওঁৰ শিষ্য জালাল-উদ্দিন চুৰ্খ বুখাৰী সিন্ধ প্ৰদেশ শাখাৰ নেতাৰূপে অধিষ্ঠিত হৈছিল। বুখাৰীয়ে ইছলাম ধৰ্মৰ আওঁতাৰ বাহিৰৰো যথেষ্ট সংখ্যক লোকক চুফী ৰহস্যবাদী ধাৰাৰ অৰ্ন্তভুক্ত কৰিবলৈ সক্ষম হৈছিল। পিছলৈ অন্য এগৰাকী চুৰাৱাৰ্দী সন্ত জালালউদ্দিন তাবৰেজীথে লাখনৌটিত প্ৰথমে আৰু তাৰ পিছত তেতিয়াৰ বংগত অৱস্থিত দেৱতাল্লাত খানকাহ প্ৰতিষ্ঠা কৰিছিল। তেওঁ খানকাহত দৰিদ্ৰসকলক বিনামূলীয়াকৈ আহাৰৰ যোগানৰ অৰ্থে লংগৰ বা 'সামূহিক ৰান্ধনিশাল''ৰ প্ৰতিষ্ঠা কৰিছিল। ইয়ে চুৰাৱাৰ্দী ধাৰাৰ জনপ্ৰিয়তা বৃদ্ধিত সহায়ক হৈছিল। চুৰাৱাৰ্দী সকলৰ প্ৰতি সঘনাই ৰহস্যবাদৰ সহায়লৈ বৃহৎসংখ্যক হিন্দুক ইছলাম ধৰ্মলৈ ধৰ্মান্তকৰণৰ অভিযোগ উঠিছিল। চুৰাৱাৰ্দী সকলে প্ৰত্যক্ষভাৱে ৰাজনীতিত হস্তক্ষেপ কৰিছিল আৰু চমক প্ৰদ অনুদান আৰু উপহাৰ লাভ কৰিছিল।



জানি থোৱা ভাল

চিস্তি আৰু চুৰাৱাদী ধাৰাৰ মাজত পার্থক্যসমূহ ঃ-

- চিস্তিসকলে সম্পত্তি- অর্থক আধ্যাত্মিক নির্বাণ লাভৰ পথত প্রতিবন্ধক বুলি গণ্য কৰিছিল আৰু এক সাত্বিক জীৱনশৈলী কটোৱাত বিশ্বাস আৰোপ কৰিছিল। ইয়াৰ বিপৰীতে চুৰাৱার্দী সকলে অর্থক আধ্যাত্মিক প্রাপ্তি দিশত বাধা বুলি গণ্য কৰা নাছিল, বৰঞ্চ তেওঁলোকে অর্থৰ দুর্ব্যৱহাৰক গৰিহণা দিছিল। চুৰাৱার্দীসকলে এক অৱস্থাপন্ন জীৱনশৈলী কটাইছিল।
- চিস্তিসকলে শাসকশ্রেণীৰ পৰা ইমানেই দূৰত্ব বজাই ৰাখিছিল যে, বাবা ফৰিদে আনকি বিশ্বাস কৰিছিল যে যদি কোনো দৰবেশে (চুফী সন্ত) যদি ৰজা বা বিষয়ৱবীয়াৰ সৈতে বন্ধুত্ব গঢ়ি তোলে, তেন্তে তেওঁৰ বেয়াভাৱো সমাপ্তি হয়। তেওঁলোকে ৰাজসভা দর্শনৰ বাবে সম্রাটে জনোৱা অনুৰোধ ক্রমাগতভাৱে অস্বীকাৰ কৰি আহিছিল। ইয়াৰ বিপৰীতে চুৰাৱার্দীসকলে শাসক শ্রেণী আৰু বিষয়ৱবীয়াসকলৰ সৈতে বন্ধুত্ব গঢ়াই নহয়, চুলতানে আগবঢ়োৱা বিষয়বাবো গ্রহণ কৰিছিল। বাহাউদ্দিন জাকৰিখাই নিজেই ইলতুৎমিচে আগবঢ়োৱা 'শ্বেইখ-উল-ইছলাম' বিষয়বাব গ্রহণ কৰিছিল; যিটো প্রস্তাৱ চিস্তি সন্ত বখতিয়াৰ কাকীয়ে নাকচ কৰিছিল।
- চিস্তিসকলে তেওঁলোকৰ শাসকশ্রেণীৰ পৰা অৱস্থান কৰা দূৰত্বৰ নীতিৰ বাবে জনসাধাৰণৰ মাজত অভূতপূর্বভাৱে জনপ্রিয় আছিল। অন্যহাতে, চুৰাৱার্দী সন্তসকল জনসাধাৰণৰ তুলনাত ৰাজসভাৰ বিষয়ৱবীয়াসকলৰ মাজত অধিক জনপ্রিয় আছিল।
- চিস্তিসকলে অন্য সম্প্রদায় আৰু ধর্মৰ অনুগামীসকলৰ প্রতি যথেষ্ট উদাৰ আছিল; যি স্থলত চুৰাৱাদীসকল তেওঁলোকে বিশ্বাস ৰখা ইছলামিক চুন্নী আদর্শসমূহ পালন কৰাৰ দিশত ৰক্ষণশীল আছিল।
- চিস্তিসকলে মোক্ষ বা নির্বাণ লাভৰ পথ হিচাপে অৱক্ষণশীল বা উদাৰ পন্থা যেনে- সংগীত আৰু নৃত্য (sama বা সামা) ৰ অনুমতি প্রদান কৰিছিল। বিপৰীতে, চুৰাৱার্দীসকলে 'সামা সমৱেত' ৰ ধাৰণাক নাকচ কৰিছিল আৰু গতানুগতিক প্রার্থনাত বিশ্বাস ৰাখিছিল।
- যিস্থলত চিস্তিসকল অ-মুছলমান লোকৰ মাজতো যথেষ্ট জনপ্রিয় আছিল, চুৰাৱার্দীসকলে মূলতঃ ইছলাম ধর্মী লোকসকলৰহে আধ্যাত্মিক প্রয়োজনীয়তা পূৰণ কৰিছিল।

● ফিৰদৌসী পন্থা ঃ

ফিৰদৌসী ধাৰা আছিল চুৰাৱার্দী ধাৰাৰে এক বহিঃবিকাশ বা ঠাল' যি বিহাৰ অঞ্চলত সক্রিয় আছিল। ভাৰতবর্ষত ইয়াৰ সূচনা কৰিছিল শ্বেইখ বদফউদ্দিন চামাৰকান্দীৰ দ্বাৰা। কিন্তু, ইয়াক জনপ্রিয় কৰিছিল শ্বেইখ চার্ফ-উদ্দিন-য়াহয়াই যাৰ কর্ম কেন্দ্র আছিল বিহাৰশ্বৰীফ। তেওঁ

চুফী ৰহস্যবাদৰ এক সৰলীকৃত ভাষ্যৰ প্ৰচাৰ কৰিছিল। তেওঁৰ মতে, ঈশ্বৰৰ সৈতে এক হোৱাৰ অৰ্থ কোনো এটা পাৰ্থিব বস্তুৰ অন্য এটা বস্তুৰ সৈতে ঘটা পাৰ্থিৱ ভৌতিক মিলনৰ নহয়, বৰঞ্চ ই হৈছে ঈশ্বৰৰ বাহিৰে অইন সকলো পাৰ্থিৱ বস্তুৰ পৰা বিচ্ছিন্নতা বা উদাসীনতা। মানৱজাতিৰ প্ৰতি সেৱা আগবঢ়োৱা দিশত তেওঁ যথেষ্ট গুৰুত্ব আৰোপ কৰিছিল আৰু তেওঁৰ অনুগামীসকলক আৰ্তজনৰ প্ৰতি কথা, লিখনী, অৰ্থ আৰু অৱস্থান সকলো দিশৰেই সহায় সেৱা আগবঢ়োৱাৰ প্ৰতি উপদেশ দিছিল। তেওঁ শাসক শ্ৰেণীয়েও এই দিশত কৰ্ম কৰাটো কামনা কৰিছিল।

● **কাদিৰী পন্থা ঃ**

কাদিৰী ধাৰা বা চিলচিলাৰ প্ৰতিষ্ঠাপক আছিল বাগদাদৰ আব্দুল কাদিৰ গিলানী (১০৭৭-১১৬৬) । চুফীবাদৰ এই ধাৰা যথেষ্ট পলমকৈ ১৫শ খ্ৰীষ্টাব্দৰহে ভাৰতত প্ৰৱেশ কৰিছিল। ভাৰতবৰ্ষত এই ধাৰাৰ মুখ্য সন্তসমূহ আছিল শ্বাহ নিয়ামতুল্লাহ আৰু মখদুম মহম্মদ জিলানী। অইন এগৰাকী গুৰুত্বপূৰ্ণ কাদিৰী সন্ত মিয়া মিৰ (১৫৫০-১৬৩৫) ৰ মোগলসম্ৰাট জাহাংগীৰ আৰু শ্বাহজাহানৰ ওপৰত প্ৰভাৱ আছিল। তেওঁ আৰু তেওঁৰ শিষ্য মোল্লা শ্বাহ একে সময়তে প্ৰখ্যাত কবি আছিল। মোলা শ্বাহ, শ্বাহজাহানৰ পুত্ৰ দাৰা শ্বিকহ'ৰ শিক্ষাগুৰু আছিল। কাদিৰী চিলচিলাৰ অনুগামীসকলৰ এক অনন্য পৰিচয় আছিল তেওঁলোকে পৰিধান কৰা সেউজীয়া পাগুৰী। এই ধাৰা প্ৰধানকৈ সক্ৰিয় আছিল সিন্ধ আৰু আগ্ৰা অঞ্চলত।

● **নকশ্‌বান্দী পন্থা ঃ**

নকশ্‌বান্দী ধাৰাৰ মূল ভেঁটি আছিল খোৱাজা পীৰ মহম্মদৰ শিক্ষা। এই ধাৰাক ভাৰতত জনপ্ৰিয় কৰিছিল খাজা বাকী বিল্লাহে (১৫৬৩-১৬০৩)। যি আকবৰৰ ৰাজত্বকালত কাবুলৰ পৰা ভাৰতলৈ আহিছিল। চুফীবাদৰ এই ধাৰা ৰক্ষণশীল আছিল আৰু ধৰ্মীয় উলেমাসকলৰ সৈতে পুনৰ সম্পৰ্ক স্থাপন কৰিছিল। আনকি, কাদিৰী সন্ত বাকি বিল্লাহে আকবৰৰ ধৰ্মীয় নীতিৰ বিৰোধিতা কৰিছিল। যি দিন-ই-ইলাহীৰ উদাৰ গাঁথনিৰ ভিত্তিত কেন্দ্ৰীভূত আছিল। আকবৰৰ ৰাজ্যসভাৰ যথেষ্ট সংখ্যক বিষয়ববীয়াৰ ওপৰত বাকি বিল্লাহৰ প্ৰভাৱ আছিল।

নকশ্‌বন্দী ধাৰাই শিখৰত আৰোহণ কৰিছিল শ্বেইয় আহমেদ চিৰ্‌হিন্দি (১৫৬৪-১৬২৪)ৰ নেতৃত্বত, যি খাজা বাকি বিল্লাহৰ এগৰাকী শিষ্য আছিল। তেওঁ হিন্দু আৰু শ্বিয়া দৰ্শন উভয়ৰে বিৰোধিতা কৰিছিল আৰু শ্বৰিয়তক কঠোৰভাৱে পালনত গুৰুত্ব আৰোপ কৰিছিল। চিৰ্‌হিন্দিয়ে ৰাজনীতিৰ পৰা আঁতৰত থকা বা ৰাজনীতিৰ সৈতে সংস্পৰ্শলৈ নহা- এই তত্ত্বত বিশ্বাস ৰখা নাছিল। বৰঞ্চ তেওঁ উল্লেখ কৰিছিল যে- "পৃথিৱীত ৰজাৰ ভূমিকা, আমাৰ শৰীৰত হৃদয়ৰ ভূমিকাৰ সৈতে একেই। ৰাজ্যৰ পৰিত্ৰতা বা অপৰিত্ৰতা ইয়াৰ শাসকৰ ওপৰত নিৰ্ভৰশীল।" এই ক্ষেত্ৰত চিৰহিন্দিয়ে আকবৰ আৰু জাহাংগীৰৰ সংহত ধৰ্মীয় নীতিৰ বিৰুদ্ধাচৰণ কৰিছিল। এক প্ৰকাৰে চিৰহিন্দিৰ শিক্ষাই, এক সংহত আধ্যাত্মিক পন্থাৰূপে চুফীবাদৰ দৰ্শনকে নাকচ কৰিছিল। তেওঁৰ আদৰ্শই মোগল সম্ৰাট ঔৰেংজেৱক গভীৰভাৱে প্ৰভাৱন্বিত কৰিছিল।

তৎসত্ত্বেও, নকশ্‌বান্দী ধাৰাৰ অন্য এজন বিখ্যাত সন্ত শ্বাহ ৱালিউল্লাহে (১৭০২-১৭৬২) এই ধাৰাৰ ৰক্ষণশীল উপাদানক কিছু প্ৰশমিত কৰিছিল আৰু সমিল-মিলতাৰ নীতি অনুসৰণ কৰিছিল। তেওঁ এগৰাকী প্ৰখ্যাত পণ্ডিত আছিল আৰু ৰহস্যবাদৰ বিষয়ক বহুসংখ্যক গ্ৰন্থ ৰচনা কৰিছিল। শ্বাহ ৱালিউল্লাহৰ উত্তৰধিকাৰ আছিল খাজা মিৰ দর্দ, যি পাৰ্চী আৰু উর্দু ভাষাৰ এগৰাকী প্ৰখ্যাত চুফী কবি আছিল।

- **ছাত্তাৰী ধাৰা ঃ**

ছাত্তাৰী ধাৰাৰ ভাৰতবর্ষলৈ আগমণ ঘটিছিল লোডী বংশৰ শাসক শ্বহ আব্দুলাৰ শাসনৰ সময়চোৱাত। এই ধাৰাৰ সবাতোকৈ গুৰুত্বপূর্ণ সন্ত আছিল গোৱালিয়ৰৰ মহম্মদ ঘাউঠ (১৪৮৫-১৫৬২) (Muhammad Ghauth)। মোগল সম্ৰাট হুমায়ুন আৰু আকবৰৰ ৰাজসভাৰ প্ৰখ্যাত সংগীতজ্ঞ তানসেন এই চুফী চিলচিলাৰ অনুৰাগী আছিল। ছাত্তাৰীসকলে এক আৰামদায়ক পার্থিৱ পৰিৱেশত থাকি আধ্যাত্মিক জীৱন কটাইছিল। তেওঁলোক অন্য ধাৰা আৰু ধর্মৰ সন্তসকলৰ আদর্শ-চিন্তাৰ প্ৰতি আগ্ৰহী আছিল। ঘটনাক্ৰমে, এই ধাৰাৰ অনুগামী যথেষ্ট সংখ্যক নাছিল।



জানি থোৱা ভাল

সংগঠিত চুফী ধাৰাসমূহৰ বাহিৰেও, যথেষ্ট সংখ্যক অনাই-বনাই ঘূৰি ফুৰা চুফী ৰহস্যবাদী সন্ত আছিল। যিসকলক কালান্দাৰ নামেৰে জনা গৈছিল। তেওঁলোকে কোনো এক নির্দিষ্ট স্থানত থিতাপি লোৱা নাছিল আৰু এক স্থানৰ পৰা অন্য এক স্থানলৈ গৈ এক মগনীয়াৰ জীৱন কটাইছিল। প্ৰায়ে তেওঁলোকে যাদু আৰু তেওঁলোকৰ আধ্যাত্মিক শক্তি প্ৰদর্শন কৰিছিল, যিয়ে দর্শকক মন্ত্রমুগ্ধ কৰিছিল। তেওঁলোকে সংগঠিত জীৱনশৈলী, সামাজিক জীৱন আৰু পার্থিৱ প্ৰয়োজনীয়তাৰ পৰা মুক্ত হৈ চলাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল।

১০.৫ চুফীবাদৰ প্ৰভাৱ

চুফীবাদ আৰু ভক্তি আন্দোলনে মধ্যযুগত এক সমন্বিত ভাৰতীয় সংস্কৃতি গঢ়ি তুলিছিল। ৰহস্যবাদৰ উপাদান আৰু ঈশ্বৰ প্ৰাপ্তি- এই দুয়োৰে ফলত সমাজৰ সর্বস্তৰৰ ব্যক্তি চুফী দর্শনৰ প্ৰতি আকৃষ্ট হৈছিল। হিন্দুধর্মীয় বহুসংখ্যক নিম্ন জাতি আৰু শ্ৰেণীৰ লোকে নিজস্ব হিন্দুধর্ম পালন কৰি চুফী খানকাহসমূহ দর্শন কৰিছিল। যথেষ্ট সংখ্যক অনুগামী নাৰী আছিল, যিসকলে সন্তান লাভকে ধৰি অইন আশীর্বাদ লাভৰ উদ্দেশ্যে বিভিন্ন চুফীসন্তৰ সমাধিসৌধ দর্শন কৰিছিল। এই ক্ষেত্রত বিশেষকৈ সিন্ধৰ চুলতান চাখি চাৰৱাৰ আৰু উত্তৰ প্ৰদেশৰ ঘাজী মিয়াৰ সমাধিস্থলে বৃহৎসংখ্যক নাৰী অনুগামীক আকৃষ্ট কৰিছিল।

চুফীবাদৰ সৈতে জড়িত এক বিতর্কিত দিশ হৈছে- বিশেষকৈ বংগৰ দৰে সীমান্ত অঞ্চলত চুফী সন্তসকল ধর্মান্তিকৰণত লিপ্ত হোৱাৰ দিশত উত্থাপিত অভিযোগ। ৰক্ষণশীল ইছলামধর্মৰ প্ৰচাৰক সকলতকৈও, প্ৰধানকৈ চুফীসকলেহে সাধাৰণ ৰাইজৰ হৃদয় জয় কৰিবলৈ সক্ষম হৈছিল

আৰু ফলত তেওঁলোকক ইছলাম ধর্মৰ আওঁতাৰ ভিতৰলৈ আনিব সক্ষম হৈছিল। এনেধৰণৰ ধর্মান্তকৰণসমূহ প্ৰায়ে ঐচ্ছিক আছিল আৰু বল প্ৰয়োগৰ ঘটনা প্ৰায় শূণ্য আছিল। এই ক্ষেত্ৰত পূৰ্বতেই উল্লেখ কৰাৰ দৰেই এক বৃহৎসংখ্যক চুফী ভক্তই তেওঁলোকৰ পূৰ্বৰ নিজস্ব ধর্ম মানি চলিও, একেসময়তে চুফী সমাধিত নিয়মিত দর্শন কৰিছিল। ইয়ে প্ৰাক-আধুনিক (Pre-Modern) সময়চোৱাত ধর্মীয় পৰিসীমাৰ নমনীয়তাক সূচিত কৰে।

তদুপৰি, চুফী সন্তসকলে প্ৰায়ে তেওঁলোকৰ আদর্শসমূহৰ প্ৰচাৰ স্থানীয় ভাষাসমূহৰ মাধ্যমেৰে কৰিছিল যাৰ ফলত এই ভাষাসমূহৰ বিকাশ ঘটিছিল। দৰাচলতে, যথেষ্টসংখ্যক চুফী সন্ত সেইসময়ৰ প্ৰখ্যাত কবিও আছিল। উদাহৰণস্বৰূপে, নিজামউদ্দিন আউলিয়াৰ শিষ্য আমিৰ খশ্রু 'খাড়ীবোলী' বা হিন্দুস্থানী ভাষাৰ প্ৰথমজন মুখ্য কবি আছিল। ঠিক সেইদৰে, গুলবার্গৰ এগৰাকী চিস্তি সন্ত খাজা গেইছু দাৰাজে প্ৰথমবাৰৰ বাবে তেওঁৰ শিক্ষাৰ প্ৰচাৰৰ মাধ্যম ৰূপে উর্দ্ধ (দাক্ষিণত্য উর্দু) ব্যৱহাৰ কৰিছিল। ইয়াৰ উপৰি নক্শবান্দী ধাৰাৰ মাজহাব্ জানজানান আৰু খাজা মীৰ দর্দে তেওঁলোকৰ লেখনীসমূহৰ মাজেৰে উর্দুক অধিক উচ্চ অৱস্থানলৈ উন্নিত কৰাইছিল। একেদৰেই, চুফী সন্ত যেনে ৰাবিছ শ্বাহ আৰু বুল্লা শ্বাহে তেওঁলোকৰ ৰহস্যবাদী ধাৰণাসমূহ প্ৰচলিত পঞ্জাৰী লোকসংস্কৃতি ব্যৱহাৰ কৰি পাঞ্জাৰী ভাষাৰ মাজেৰে প্ৰকাশ কৰিছিল, আৰু যাৰ ফলত পঞ্জাৰী সাহিত্যৰ বিকাশ ঘটিছিল। একে ধৰণেই শ্বাহ আব্দুল লতিফে তেওঁৰ কাব্যিক ৰচনাসমূহৰ বাবে সিন্ধি ব্যৱহাৰ কৰিছিল। একপ্ৰকাৰে, চুফী সন্তসকলক লিখনীসমূহ সমৃদ্ধিশালী ভাৰতীয় সাহিত্য আৰু সাংস্কৃতিক ঐতিহ্যৰ এক অভিন্ন অংগ হৈ উঠে। এইদৰেই চুফীবাদে ভাৰতীয় সমাজ আৰু সংস্কৃতিত এক অবিস্মৰণীয় সাঁচ এৰি থৈ যায়।



অগ্রগতি নিৰীক্ষণ

খালী ঠাই পূৰ কৰক—

প্ৰশ্ন নং ৩ ঃ ভাৰতবর্ষলৈ চিস্তি ধাৰাক অনা প্ৰখ্যাত চুফী সন্ত আছিল .....।

প্ৰশ্ন নং ৪ ঃ দাক্ষিণাত্যলৈ চিস্তি ধাৰাৰ বাহক আছিল চুফী সন্ত .....।

প্ৰশ্ন নং ৫ ঃ শ্বেইখ আহমেদ চিৰহিন্দি ..... চিলচিলাৰ এজন লেখত লবলগীয়া সন্ত আছিল



১০.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলো

এই অধ্যায়টি অধ্যয়ন কৰাৰ পাছত আপুনি জানিলে-

- চুফীবাদৰ উৎপত্তি আৰু ভাৰতবর্ষত ইয়াৰ প্ৰসাৰৰ বিষয়ে।
- ভাৰতীয় উপমহাদেশত সক্ৰিয় হৈ থকা বিভিন্ন চুফী দর্শন আৰু চিলচিলাৰ বিষয়ে।
- সমন্বিত ভাৰতীয় সংস্কৃতিৰ বিকাশত চুফী সন্তসকলৰ আৰু তেওঁলোকৰ শিক্ষাৰ ভূমিকা সম্পর্কে।



১০.৭ অধিক জানিবলৈ

1) Aquil, Raziuddin (ed.) (2010). *Sufism and Society in Medieval India*. New Delhi, India: Oxford University Press
2) Dandekar, Deepra and Tschacher, Torsten (eds.)(2016). *Islam, Sufism and Everyday Politics of Belonging in South Asia*. London, UK: Routledge
3) Dey, Amit. (1996), *Sufism in India*. Calcutta, India: Ratna Prakashan
4) Digby, Simon. (1990). The Sufi Shaykh and the Sultan: A Conflict of Claims to Authority in Medieval India in *Iran*, Vol. 28, pp. 71-81.
5) Hameed, Syeda Saiyidain. (1996). *Impact of Sufism on Indian Society*. New Delhi, India: Nehru Memorial Museum and Library
6) Nizami, K.A. (1948). Early Indo-Muslim Mystics and Their Attitude towards the State in *Islamic Culture*, Vol. 22, pp. 387-398.
7) Rizvi, Saiyid Athar Abbas. (1978). *A History of Sufism in India* (2 Volumes). Delhi, India: Munshiram Manoharlal



১০.৮ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্ন উত্তৰঃ অস্তিত্বৰ ঐক্যতা

২ নং প্রশ্ন উত্তৰঃ মাজলিচ

৩ নং প্রশ্ন উত্তৰঃ খ্বাজা মইন-উদ্দিন- চিস্তি

৪ নং প্রশ্ন উত্তৰঃ খ্বাজা গেইছু দাৰাজ

৪ নং প্রশ্ন উত্তৰঃ নকশ্‌বান্দী



১০.৯ আৰ্হি প্রশ্ন

(ক) বস্তুধর্মী প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ ৫০ টা শব্দৰ ভিতৰত দিয়ক)

১ নং প্রশ্নঃ চুফী শব্দ ক্রমে 'খানকাহ' আৰু 'চিলচিলা'ৰ অর্থ ব্যাখ্যা কৰক।

২ নং প্রশ্নঃ কালান্দাৰসকল কোন আছিল? বর্ণনা কৰক।

(খ) চমু প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ ১৫০ টা শব্দৰ ভিতৰত দিয়ক)

১। চুফীবাদ বুলিলে কি বুজে আৰু চুফী দর্শনক পৰিচালনা কৰা মূল আদর্শ মতবাদক বর্ণনা কৰক।

২। চমুকৈ ভাৰতবর্ষত চিস্তি চিলচিলাৰ সূচনা আৰু বিস্তাৰৰ বিষয়ে আলোচনা কৰক।

৩। নকশ্‌বান্দী ধাৰা কিমান দূৰলৈ চুফীবাদৰ সমন্বিত আদর্শৰ পৰা বিচ্যুত হৈছিল বা ফালৰি কাটি আহিছিল? আলোচনা কৰক।

(গ) ৰচনাধর্মী প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ ৫০০ টা শব্দৰ ভিতৰত দিয়ক)

১। চিস্তি আৰু চুৰাৰ্দীসকলৰ মাজৰ পার্থক্য স্পষ্টভাৱে বর্ণনা কৰক।

২। ভাৰতীয় সমাজ আৰু সংস্কৃতিত চুফীবাদৰ প্রভাৱৰ বিষয়ে আলোচনা কৰক।

****